# ASSAMESE (MIL

## SYLLABUS FOR HIGHER SECONDARY COURSE

## অসমীয়া বিষয়ৰ পাঠ্যক্ৰম

### ভাষা-শিক্ষাৰ উদ্দেশ্য ঃ

ভাষা মানৱ সভ্যতাৰ অপৰিহাৰ্য অংগ। সকলো মানুহে বিভিন্ন উদ্দেশ্যত ভাষা ব্যৱহাৰ কৰে। ভাষা হ'ল মানুহৰ মনৰ ভাব আদান-প্ৰদানৰ মাধ্যম। কেৱল আদান-প্ৰদানৰ মাধ্যমেই নহয়, ভাষা আয়ত্তৰ জৰিয়তে জ্ঞান আহৰণৰ পথো প্ৰশস্ত হৈ থাকে। জন্মৰ পিছৰ পৰা শিশুৱে ভাষা আয়ত্ত কৰে। শিক্ষাগত অৰ্হতা গ্ৰহণৰ বাবে বিদ্যালয়লৈ যোৱাৰ পিছৰে পৰা ভাষা শিক্ষাৰ বিশেষ দিশ উন্মোচিত হয়। সামাজিক প্ৰাণীৰূপে মানুহে ভাষা আয়ত্ত কৰে বিভিন্ন ক্ষেত্ৰত বিভিন্ন ধৰণে। ছাত্ৰ-ছাত্ৰীক ভাষা-শিক্ষা প্ৰদানৰ উদ্দেশ্য হৈছে বিভিন্ন পাঠৰ জৰিয়তে জীৱন আৰু জগত সম্পৰ্কে অৱগত কৰোৱা। ভাষা-শিক্ষা এক জটিল প্ৰক্ৰিয়া। উচ্চতৰ মাধ্যমিক স্তৰত ছাত্ৰ-ছাত্ৰীক ভাষা-শিক্ষা প্ৰদান কৰোতে বিভিন্ন পদ্ধতি আৰু কৌশল অৱলম্বন কৰিব লাগিব।

### ভাষা-শিক্ষাৰ কৌশল ঃ

ভাষা শিক্ষাৰ ক্ষেত্ৰত কেইবাটাও কৌশল অৱলম্বন কৰা হয়। প্ৰধানভাৱে পঠন, লিখন, শ্ৰৱণ আৰু কথন— এইকেইটা কৌশল প্ৰধান। অৱশ্যে উচ্চতৰ মাধ্যমিক স্তৰত আন কেতবোৰ কৌশলৰ প্ৰতিও সজাগ হ'ব লাগিব। ইয়াৰ ভিতৰত কথোপকথনৰ কৌশল, উচ্চস্তৰীয় লিখন কৌশল, টোকা প্ৰস্তুত, সাৰাংশ প্ৰস্তুত, ব্যাকৰণ জ্ঞান আহৰণ আদি অন্যতম।

### বিশেষ গুৰুত্ব দিবলগীয়া দিশ ঃ

উচ্চতৰ মাধ্যমিক শিক্ষাৰ স্তৰত পঠনৰ দিশত বিশেষ গুৰুত্ব দিয়া নহয় যদিও ইয়াৰ প্ৰয়োজন আছে। কাৰণ ব্যাকৰণৰ জ্ঞান আয়ত্ত কৰোতে অথবা সঠিক উচ্চাৰণৰ প্ৰতি লক্ষ্য ৰাখোতে পঠন অপৰিহাৰ্য। শ্ৰৱণ আৰু কথনৰ দিশতো গুৰুত্ব দিব লাগিব। ইয়াৰ লগে লগে অধিক গুৰুত্ব দিবলগীয়া বিষয়টো হ'ল লিখন। ব্যাকৰণৰ বিষয়বোৰ প্ৰস্তুত, পাঠ সম্বন্ধীয় প্ৰশ্নাৱলী প্ৰস্তুত, শ্ৰৱণ আৰু কথনৰ জৰিয়তে কথোপকথনৰ কৌশল আদি আয়ত্ত কৰাটো অতি আৱশ্যকীয়। ছাত্ৰ-ছাত্ৰীৰ (পাঠৰ) মৌখিক উপস্থাপন, সামূহিক পাৰস্পৰিক আলোচনা, পাঠৰ মূল বক্তব্যৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ দৃষ্টি আকৰ্ষণ, টোকা সঠিকভাৱে প্ৰস্তুত, পাঠৰ লগত সংগতি থকা বিষয়ৰ অৱতাৰণা, ব্যাকৰণৰ জ্ঞান প্ৰদানৰ জৰিয়তে ভাষা-জ্ঞান বৃদ্ধি— এই বিষয়বোৰৰ প্ৰতি শিক্ষকে মনোনিবেশ কৰিব লাগিব। ৰচনা লিখন, পত্ৰ লিখন, সৃষ্টিধৰ্মী লিখন আদি বিষয়বোৰো ছাত্ৰ-ছাত্ৰীৰ ভাষা আহৰণৰ অন্যতম আহিলা। শিক্ষকে ছাত্ৰ-ছাত্ৰীক এই দিশত অনুশীলনৰ জৰিয়তে উপযুক্ত ভাবে গঢ় দিবলৈ সক্ষম হ'ব।

### অসমীয়া (আধুনিক ভাৰতীয় ভাষা)

### পটভূমি ঃ

একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক অসমীয়া সাহিত্যৰ নিৰ্বাচিত পাঠ অধ্যয়নৰ জৰিয়তে ঐতিহ্যমণ্ডিত অসমীয়া ভাষা সাহিত্য সম্পৰ্কে সম্যক জ্ঞান দিব বিচৰা হৈছে। এই উদ্দেশ্য আগত ৰাখিয়ে অসমীয়া সাহিত্যৰ প্ৰাচীন, মধ্য আৰু

Learnfo

আধুনিক যুগত ৰচিত নিৰ্বাচিত লেখকৰ পাঠ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে। ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া ভাষা শুদ্ধ ৰূপত শিকিব/লিখিব পৰাত সহায়ক হ'ব বুলি বিবেচনা কৰি আৱশ্যকীয় ব্যাকৰণ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে। লগতে চৰকাৰী নিৰ্দেশ মানি '**পৰিৱেশ** আৰু **দুৰ্যোগ ব্যৱস্থাপনা**' আৰু '**মূল্যবোধ-শিক্ষা** আৰু **কৈশোৰ শিক্ষা**' বিষয়ক চাৰিটা পাঠ অন্তৰ্ভুক্ত কৰা হৈছে।

**উদ্দেশ্য ঃ**

পাঠ্যক্ৰম যুগুত কৰোতে এই কথাকেইটালৈ দৃষ্টি ৰখা হৈছে ঃ

- ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত পাঠ যাতে সহজে আয়ত্ত কৰিব পাৰে।
- পাঠবোৰ যাতে ৰসাল হয়।
- পাঠ অধ্যয়নৰ ফলত ছাত্ৰ-ছাত্ৰীৰ মনত যাতে জাতীয় সংস্কৃতি ঐতিহ্যৰ ভাব জাগ্ৰত হয়।
- ছাত্ৰ-ছাত্ৰীয়ে নিজৰ ভাষাৰ উপৰি শ্ৰেণীকোঠাৰ বহুভাষিক বাস্তৱ পৰিস্থিতিৰ লগত খাপ খাব পৰা হোৱাকৈ পাঠ্যক্ৰম যুগুত কৰা।
- বিশ্লেষণাত্মক আৰু সৃষ্টিধৰ্মী দুয়োটা দিশতে গুৰুত্ব প্ৰদান কৰা।
- বিষয়বস্তু অনুসৰি ভাষাৰ স্তৰ যে বেলেগ তাৰ প্ৰতি দৃষ্টি দিয়া।
- লিখিত ভাষা যে ব্যাকৰণ, অভিধানৰ দ্বাৰা নিয়ন্ত্ৰিত সেই কথা জানিবৰ বাবে ব্যাকৰণ আৰু অভিধান চৰ্চা কৰিবলৈ উদ্‌গনি দিয়া।

## ASSAMESE (MIL)

## SYLLABUS FOR HIGHER SECONDARY FINAL YEAR COURSE

**One Paper** **Time : Three Hours** **Marks 100**

**Unitwise Distribution of Marks & Periods :**

| Unit | Topics | Marks | Periods |
|---|---|---|---|
| Unit-I | Prose | 35 | 60 |
| Unit-II | Poetry | 25 | 50 |
| Unit-III | (A) Adolescence Education | 10 | 30 |
| | (B) Value Education | | |
| Unit-IV | Grammar | 20 | 35 |
| Unit-V | Essay writing | 10 | 25 |
| | **Total** | **100** | **200** |

পাঠ্যপুথি ঃ **সাহিত্য সৌৰভ,**

*অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা প্ৰকাশিত।*

**UNITWISE DISTRIBUTION OF COURSE CONTENTS :**

**Unit-I ঃ (গোট-১) নিৰ্বাচিত গদ্য ঃ** **(Marks 35)** **(Periods 60)**

(ক) মোৰ মাতৃমুখ দৰ্শন ঃ লক্ষ্মীনাথ বেজবৰুৱা

(খ) মগনিয়াৰ (কথা কবিতা) ঃ যতীন্দ্ৰ নাথ দুৱৰা

Learnfo

(গ) আনন্দৰাম বৰুৱা ঃ উপেন্দ্ৰ চন্দ্ৰ লেখাৰু

(ঘ) হস্তিবিদ্যাৰ্ণৱ পুথি ঃ ড° সূৰ্যকুমাৰ ভূঞা

(ঙ) ভাৰতীয় আদৰ্শত বৈৰাগ্য ঃ তীৰ্থনাথ শৰ্মা

(চ) চিঠি (গল্প) ঃ শীলভদ্ৰ

(ছ) অসমীয়া চলচ্চিত্ৰৰ গতিধাৰা ঃ উৎপল দত্ত

(জ) বৈজ্ঞানিক মানসিকতা কিদৰে গঢ়িব পাৰোঁ ঃ ড° দীনেশ চন্দ্ৰ গোস্বামী

**Unit-II ঃ (গোট-২) নিৰ্বাচিত কবিতা ঃ (Marks 25) (Periods 50)**

(ক) বৰগীত (উঠৰে উঠ বাপু) ঃ মাধৱদেৱ

(খ) বিশ্ব খনিকৰ ঃ মফিজুদ্দিন আহমদ হাজৰিকা

(গ) মিলন ঃ নলিনীবালা দেৱী

(ঘ) জনতাৰ আহ্বান ঃ জ্যোতিপ্ৰসাদ আগৰৱালা

(ঙ) কাঠমিস্ত্ৰীৰ ঘৰ ঃ ধীৰেন্দ্ৰ চন্দ্ৰ দত্ত

(চ) আঘোণৰ কুঁৰলী ঃ কেশৱ মহন্ত

(ছ) উভতি নহাৰ কবিতা ঃ নৱকান্ত বৰুৱা

(জ) কৰুণতম ঃ ড° নিৰ্মলপ্ৰভা বৰদলৈ

**Unit-III ঃ (গোট-৩) ঃ (Marks 10) (Periods 30)**

(ক) মূল্যবোধ শিক্ষা ঃ ড° দুলুমণি গোস্বামী

(খ) কৈশোৰ কাল আৰু ইয়াৰ উপযোগী শিক্ষা ঃ ড° স্বৰ্ণলতা দাস

**Unit-IV ঃ (গোট-৪) Grammar : (Marks 20) (Periods 35)**

**অসমীয়া ভাষাৰ ব্যাকৰণ ঃ**

**বিভক্তি** ঃ ক্ৰিয়া বিভক্তি আৰু নাম বিভক্তি, **প্ৰত্যয়** ঃ কৃৎ প্ৰত্যয়, তদ্ধিৎ প্ৰত্যয়, জতুৱা ঠাঁচ।

**Unit-V ঃ (গোট-৫) ৰচনা ঃ (Marks 10) (Periods 25)**

**ৰচনাৰ বাবে বিষয় ঃ**

(ক) সাহিত্য-সংস্কৃতি সম্পৰ্কীয়,

(খ) বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা সম্পৰ্কীয়,

(গ) সামাজিক আৰু প্ৰাকৃতিক পৰিৱেশ সম্পৰ্কীয়,

(ঘ) কৃষি আৰু অৰ্থনীতি সম্পৰ্কীয়,

(ঙ) ক্ৰীড়া সম্পৰ্কীয়,

(চ) ভ্ৰমণ সম্পৰ্কীয়।

***

Learninfo